**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
**--------------------**

১। সংসদৰ দুমাহজোৰা বাজেট অধিবেশন আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে দেশৰ বিকাশ আৰু জনসাধাৰণৰ কল্যাণৰ বাবে নিৰন্তৰ কাম কৰি আছে বুলি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সংসদৰ যুটীয়া বৈঠকত দিয়া ভাষণত উল্লেখ কৰিছে।

২। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ চাৰি দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

৩। পাঞ্জাৱৰ ফিৰোজপুৰত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত ৯জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫জন লোক গুৰুতৰভাৱে আহত হয়।

**আৰু**

৪। ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ছত্তীশগড়ৰ বিজয় কুমাৰে ভাৰোত্তোলনৰ ক্লীন এণ্ড জাৰ্কৰ ৫৫ কিলোগ্ৰাম শাখাত ১৪৩ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি ৰাষ্ট্ৰীয় অভিলেখ স্পৰ্শ কৰিছে।

০০০০০০

সংসদৰ দুমাহজোৰা বাজেট অধিবেশন আজি আৰম্ভ হৈছে। অধিবেশনৰ আৰম্ভণিৰ দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিয়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাষণৰ আৰম্ভণিতে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ কুম্ভমেলাত হোৱা হেঁচা-ঠেলাৰ ঘটনাত পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা ভক্তসকলৰ লগতে ২৪ ডিচেম্বৰত দেহাৰসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙলৈ শ্ৰদ্ধা নিবেদন কৰে। ৰাষ্ট্ৰপতিয়ে কয় যে মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালত তিনিগুণ ক্ষীপ্ৰতাৰে কাম হৈছে। শ্ৰীমতী মুৰ্মুৱে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ বিকাশ আৰু জনসাধাৰণৰ কল্যাণৰ বাবে নিৰন্তৰ কাম কৰি আছে। চৰকাৰৰ বিভিন্ন আঁচনি আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সম্প্ৰসাৰণৰ জৰিয়তে অতিৰিক্ত ৩ কোটি পৰিয়ালক নতুন ঘৰ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। **ধৰতী আবা জনজাতি গ্ৰাম উৎকৰ্ষ** কাৰ্যসূচীৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে ৫ কোটি জনজাতীয় লোকৰ বিকাশৰ বাবে এই কাৰ্যসূচী আৰম্ভ হৈছিল। একেদৰে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত চৰকাৰে ৭০ বছৰ উৰ্দ্ধৰ ৬ কোটি জ্যেষ্ঠ নাগৰিকক স্বাস্থ্য বীমা প্ৰদানৰ সিদ্ধান্তৰ কথাও ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। চৰকাৰে যুৱ চামৰ বাবে শিক্ষা আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বিষয়ক অগ্ৰাধিকাৰ দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে দেশৰ শীৰ্ষ ৫০০টা কোম্পানীত ১ কোটি যুৱক-যুৱতীক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক আধুনিক শিক্ষা প্ৰদান কৰা হ'ব বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। মহিলা সৱলীকৰণৰ বিষয়ত আলোকপাত কৰি ৰাষ্ট্ৰপতিয়ে কয় যে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ লক্ষ্যৰে কাম কৰি আছে। বিত্তীয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত **বেংকিং আৰু ডিজি পেমেণ্ট সখী**য়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিও তেওঁ কয়। ডিজিটেল পেমেণ্ট পদ্ধতিৰ জৰিয়তে ক্ষুদ্ৰ ব্যৱসায়ীসকল

উপকৃত হৈছে বুলিও ৰাষ্ট্ৰপতিয়ে কয়। ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিয়ে চৰকাৰে সামাজিক ন্যায় আৰু সমতাৰ বিষয়ত ডিজিটেল প্ৰযুক্তিক ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত **ভাৰত কৃত্ৰিম বুদ্ধিমত্তা অভিযান** আৰম্ভ কৰা হৈছে। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত জম্মু-কাশ্মীৰত উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল যোগাযোগ প্ৰকল্প সম্পূৰ্ণ হোৱাৰ বিষয়ে উল্লেখ কৰি কয় যে এতিয়া কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে ৰে'ল যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ হৈ উঠিছে।

আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল কৰিব।

বিত্তমন্ত্ৰী সীতাৰমনে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। সোমবাৰে ৰাজ্যসভা আৰু লোকসভাত ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱক লৈ আলোচনা হ'ব।

০০০০০০

সংসদৰ বাজেট অধিবেশনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত নতুন আত্মবিশ্বাস আৰু শক্তিৰ সঞ্চাৰ কৰিব। সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ২০৪৭ চনত যেতিয়া ভাৰতে স্বাধীনতা লাভ কৰাৰ ১০০ বছৰ সম্পূৰ্ণ হ'ব তেতিয়া বিকশিত ভাৰতৰ লক্ষ্যও প্ৰাপ্তি হ'ব। তেওঁ কয় যে জনসাধাৰণে তেওঁৰ চৰকাৰক তৃতীয়বাৰৰ বাবে দেশৰ শাসনভাৰ গ্ৰহণৰ দায়িত্ব দিছে আৰু এয়া হ'ব তেওঁৰ তৃতীয়টো শাসনকালৰ প্ৰথমখন সম্পূৰ্ণ বাজেট। তেওঁ লগতে কয় যে দেশে গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এখন গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে স্বীকৃত হোৱাটো অতি গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে প্ৰতি বাৰৰ দৰে এইবাৰৰ বাজেট অধিবেশনত বহু গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হ'ব।

০০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ চাৰি দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰায় আটাইবোৰ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে জনসাধাৰণৰ সমৰ্থন আদায়ৰ বাবে জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাসকলৰ ঘৰে ঘৰে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি দ্বাৰকা অঞ্চলত এখন প্ৰচাৰ সভাত ভাগ ল'ব। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামি, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনী, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰি, উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্য আৰু বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীকে ধৰি বিজেপিৰ অন্যান্য নেতাসকলে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল, আপৰ জ্যেষ্ঠ নেতা তথা পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু আপৰ সাংসদ সঞ্জয় সিঙেও বিভিন্ন সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি মাদিপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশ ল'ব। কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধীয়ে নাংলৈ আৰু মুস্তাফাবাদত ৰোড শ্ব'ত ভাগ ল'ব। ৰাষ্ট্ৰীয় ৰাজধানীখনত অহা ৫ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব।

০০০০০০

পাঞ্জাৱৰ ফিৰোজপুৰত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত ৯জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫জন লোক গুৰুতৰভাৱে আহত হয়। আমালৈ অহা বাতৰি অনুসৰি এখন ট্ৰাক আৰু কেণ্টাৰৰ মাজত হোৱা

সংঘৰ্ষৰ ফলত ট্ৰাকখনত যাত্ৰা কৰা বহুকেইজন লোকৰ থিতাতে মৃত্যু হয়। আহতসকলক ফিৰোজপুৰ আৰু ফৰিদকোটৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনৰ মাজ আকাশত আমেৰিকান সেনা বাহিনীৰ ব্লেক-হক হেলিকপ্টাৰ আৰু এখন যাত্ৰীবাহী বিমানৰ মাজত সংঘটিত হোৱা দুৰ্ঘটনাত কমেও ৬৭জন লোকৰ মৃত্যুৰ হোৱাৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে নিহতসকলৰ আত্মীয়লৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোণাল্ড ৰেমন বিমান বন্দৰৰ সমীপত কালি সংঘটিত এই দুৰ্ঘটনাটোত সেনা বাহিনীৰ হেলিকপ্তাৰত ৩ জনকৈ সেনা জোৱানৰ লগতে যাত্ৰীবাহী বিমানখনৰ ৬৪ গৰাকী যাত্ৰীৰ মৃত্যু হোৱা বুলি দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছে।

০০০০০০

অসমৰ বজালী জিলাৰ পাঠশালাত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে  ৰাজ্যৰ বৃহত্তম সাহিত্যৰ অধিবেশন - অসম সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসমৰ জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি পুৱা পাঠশালা সাহিত্য সভাৰ ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰে। ইয়াৰ পাছতে আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয়ে এটা খৰ্গযুক্ত গড়ৰ আকৃতিত নিৰ্মাণ কৰি উলিওৱা অধিবেশনৰ মূল তোৰণ উদ্বোধন কৰে।

০০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ছত্তীশগড়ৰ বিজয় কুমাৰে ভাৰোত্তোলনৰ ক্লীন এণ্ড জাৰ্কৰ ৫৫ কিলোগ্ৰাম শাখাত ১৪৩ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি ৰাষ্ট্ৰীয় অভিলেখ স্পৰ্শ কৰিছে।

অসমে কালি উশুৰ  জৰিয়তে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথমটো পদক অৰ্জন কৰে। ছানমা ব্ৰহ্মই উশুৰ পুৰুষৰ টাইজিকোৱন শাখাত অসমৰ হৈ ৰূপৰ পদক লাভ কৰে। একেদৰে মহিলাৰ ৪৫ কিলোগ্ৰাম শাখাত প্ৰীয়া বড়ো, ৭৫ কিলোগ্ৰাম শাখাত খুদ্ৰা পাং য়িং আৰু ৫৬ কিলোগ্ৰাম শাখাত ইলিনা ৰাভাই চেমিফাইনেলত প্ৰৱেশ কৰি তিনিটা পদক নিশ্চিত কৰিছে।

ফুটবলত অসমে জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। অসমে কালি গ্ৰুপ পৰ্যায়ৰ এখন খেলত শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে।

অসমৰ মহিলা বেডমিণ্টন দল আজি চেমিফাইনেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। এই শিতানৰ খেলসমূহ ইতিমধ্যে আৰম্ভ হৈছে। অসমে বেডমিণ্টনৰ উপৰি উশু, বক্সিং, শ্বুটিং, চাইক্লিং, ছুইমিং, স্কোৱাচ আৰু ভাৰোত্তোলনত আজি প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বক্সিঙত লাভলীনা বৰগোঁহায়ে পদক জয়ৰ চেষ্টা চলাব।

০০০০০০

সমাপ্ত